# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 09-12-2024

**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ চাৰে তিনি বছৰীয়া মন্ত্ৰী সভাৰ দপ্তৰসমূহৰ আজি ব্যাপক সাল-সলনি ঘটাইছে। মন্ত্ৰী সভাত নতুনকৈ অন্তৰ্ভুক্ত হোৱা প্ৰশান্ত ফুকনক শক্তি, দক্ষতা-বিকাশ, নিয়োগ আৰু উদ্যমিতা, প্ৰধানমন্ত্ৰীৰ আয়ুষ্মান ভাৰত যোজনাৰ অধীনৰ চিকিৎসা সেৱা আৰু গৱেষণা বিভাগৰ দায়িত্ব দিয়া হৈছে। কৌশিক ৰয়ক খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ, খনি আৰু খনিজ সম্পদ বিভাগ আৰু নৱগঠিত বৰাক উপত্যকা উন্নয়ন বিভাগৰ দায়িত্ব অৰ্পণ কৰা হৈছে। কৃষ্ণেন্দু পালক পশু পালন আৰু পশু চিকিৎসা, মীন আৰু প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনৰ লোকনিৰ্মাণ বিভাগৰ দায়িত্ব দিয়া হৈছে। ৰূপেশ গোৱালাক শ্ৰমিক কল্যাণ বিভাগ, চাহ জনজাতি আৰু আদিবাসী উন্নয়ন বিভাগ আৰু গৃহ বিভাগৰ অধীনৰ কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগৰ দায়িত্ব দিয়া হৈছে। মুখ্যমন্ত্ৰীয়ে পূৰ্বৰ কেইবাগৰাকী মন্ত্ৰীৰ দায়িত্বৰো সালসলনি ঘটাইছে। গৃহ আৰু কৰ্মচাৰী বিভাগৰ দায়িত্ব পূৰ্বৰ দৰেই মুখ্যমন্ত্ৰীয়ে নিজৰ হাতত ৰাখিছে। একেদৰে লোকনিৰ্মাণৰ গৃহ, ৰাষ্ট্ৰীয় ঘাইপথ বিভাগ আৰু লোকনিৰ্মাণৰ পথ শাখাৰ দায়িত্ব মুখ্যমন্ত্ৰীয়ে নিজে চোৱাচিতা কৰিব। চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ দায়িত্ব মুখ্যমন্ত্ৰীয়ে নিজে বহন কৰাৰ লগতে আন মন্ত্ৰীক আবণ্টন নকৰাৰ বিভাগৰ দায়িত্বও মুখ্যমন্ত্ৰী ডঃ শৰ্মাৰ হাতত থাকিব। ৰণজিৎ কুমাৰ দাসক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দায়িত্বৰ লগতে আইন, পৰ্যটন আৰু সাধাৰণ প্ৰশাসনৰ দায়িত্ব দিয়া হৈছে। অতুল বৰাক কৃষি, কেশৱ মহন্তক ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ দায়িত্ব দিয়া হৈছে।

০০০০০

সৰুপথাৰ সম-জিলাত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ১৯ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্প উন্নীতকৰণ আৰু কেইটামান প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই অনুসৰি মুখ্যমন্ত্ৰীয়ে প্ৰায় ১৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মিত এশখন বিছনাযুক্ত সৰুপথাৰ সম-জিলা অসামৰিক চিকিৎসালয়খন উদ্বোধন কৰে। এই চিকিৎসালয়খনত ৯টা বহিঃ বিভাগীয় কক্ষ, দুটা প্ৰসৱ কক্ষ, অস্ত্ৰোপচাৰ কক্ষ, নৱজাতকৰ বিশেষ যতন কক্ষ, জৰুৰীকালীন সেৱা কক্ষৰ লগতে অন্যান্য সুবিধাসমূহ থাকিব। ডঃ শৰ্মাই সৰুপথাৰ ইনড'ৰ ষ্টেডিয়াম আৰু এটা সভাগৃহও উদ্বোধন কৰে।  ৪ হাজাৰ আসনযুক্ত এই গ্ৰাম্য ষ্টেডিয়াম এম জি এনৰেগাৰ বিত্তীয় সাহায্যৰে নিৰ্মাণ কৰা হৈছে। তদুপৰি প্ৰায় ২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া সৰুপথাৰ ছুইমিং পুলৰ আধাৰশিলাও মুখ্যমন্ত্ৰীয়ে স্থাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে সভাত নৱ প্ৰজন্মৰ মাজত খেলুৱৈসুলভ মানসিকতা গঢ়ি তুলিবলৈ এইদৰে কয়-

**ৰাইট (চি এম)**

০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট জিলাৰ সৰুপথাৰত আয়োজিত অসম নেপালী সাহিত্য সভাৰ অধিৱেশন আৰু সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত অসম নেপালী সাহিত্য সভাই মুখ্যমন্ত্ৰীক কৰ্মযোগী উপাধি প্ৰদান কৰে। শিৱাজী ৰায় সমন্বয় ক্ষেত্ৰত আয়োজিত এই কাৰ্যসূচীত অসমৰ বিভিন্ন প্ৰান্তৰ লগতে নেপাল, ভূটান আৰু ছিকিমৰ ভালেকেইগৰাকী প্ৰতিনিধিয়ে অংশ লয়।

০০০০০

মৰিগাঁও জিলাৰ জাগীৰোডৰ ইতিহাস প্ৰসিদ্ধ জোনবিলৰ পাৰত অহা ১৬ৰ পৰা ১৮ জানুৱাৰীলৈ ঐতিহাসিক জোনবিল মেলাৰ আয়োজন কৰা হৈছে। গোভা দেওৰজাৰ ৰাজপৰিষদ, জোনবিল মেলা উন্নয়ন সমিতি আৰু তিৱা ৰাজদৰবাৰে অলপতে গোভা দেওৰজাৰ নখোলা ৰাজভৱনত অনুষ্ঠিত দৰবাৰত এই সিদ্ধান্ত গ্ৰহণ কৰে। তিৱা সংস্কৃতিৰ প্ৰাণ কেন্দ্ৰ তথা পাহাৰ-ভৈয়ামৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলন ভূমি এই জোনবিল মেলাত কাৰ্বি আংলং জিলাৰ অৰ্ধশতাধিক গাঁৰৰ লগতে মেঘালয়ৰ ২০ খনৰো অধিক গাঁৱৰ মামা-মামীসকলে পাহাৰত উৎপাদিত সামগ্ৰী লৈ পৰম্পৰাগত বিনিময় প্ৰথাত অংশগ্ৰহণ কৰিব। জোনিবল মেলাৰ দ্বিতীয় দিনা বহিবলগীয়া গোভা দেওৰজাৰ ৰাজদৰবাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকী মন্ত্ৰী, বিধায়ক উপস্থিত থাকিব। এই ৰাজদৰবাৰতে ২২ গৰাকী তিৱা ৰজাক ৰাজ্য চৰকাৰে ৰাজভাট্টা প্ৰদান কৰিব।

০০০০০

সদৌ অসম ছাত্ৰ সন্থা শিৱসাগৰ সাধাৰণ সভাই লাইখুঁটা আজি শিৱসাগৰৰ তলাতল ঘৰৰ বাকৰিত স্থাপন কৰা হয়। গায়ন-বায়ন, বিহু, সৰ্বধৰ্ম প্ৰাৰ্থনা, মহিলাৰ দিহানামৰ মাজেৰে অৰ্জুন ভোগেশ্বৰ বৰুৱাই লাইখুঁটা স্থাপন কৰে। উল্লেখযোগ্য যে অহা ২৭ আৰু ২৮ জানুৱাৰীত সংগঠনটোৰ দ্বিতীয় সৰ্ববৃহৎ সাংগঠনিক সাধাৰণ সভাখন অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত